# FIELD STUDY REPORT

# ON

## ৪৩ নং হেকৰা গাওঁ পঞ্চায়ত এলেকাৰ মালিবাৰী সত্ৰ গাওঁৰ স্থানীয় জনসাধাৰণৰ ৰাজনৈতিক ব্যৱস্থাত অংশগ্ৰহনৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন।

**(A FIELD STUDY ON "PARTICIPATION OF LOCAL PEOPLE'S IN THE POLITICAL SYSTEM OF MALIBARI SATRA VILLAGE UNDER 43 No. HEKRA GAON PANCHAYAT")**

A Field study report submitted to the Department of Political Science, Chhamaria Anchalik College for the partial fulfillment of B.A. 4th Semester (SEC) in Political Science

**Submitted by**


Name : PRANITA DAS

Registration No.: 21044310

Roll No. : UA-211-007-0053


**Under the guidance of**

Biresh Chandra Tapadar
Assistant Professor
Department of Political Science

DEPARTMENT OF POLITICAL SCIENCE
CHHAMARIA ANCHALIK COLLEGE
YEAR - 2023

Head
Department of Political Science
Chhamaria Anchalik College
Date.........................

Principal
Chhamaria Anchalik College

# CERTIFICATE

This is to certify that Field Study Report entitled "Participation of Local People's in the Political System of Malibari Satra Village under 43 No. Hekra Gaon Panchayat" is prepared by ***Sri/Miss Pranita Das***, Roll Number – 0053 and Registration Number 21044310 of B.A. 4th Semester (SEC) in Political Science of the year 2023. She has prepared and submitted this following all kinds of conditions and requirements for partial fulfillment of the B.A. 2nd Year.

**Head of the Department**
Department of Political Science
Chhamaria Anchalik College

Head
Department of Political Science
Chhamaria Anchalik College
Date.........................

**Supervisor**
Department of Political Science
Chhamaria Anchalik College

Principal
Chhamaria Anchalik College

# কৃতজ্ঞতা স্বীকাৰ

ক্ষেত্ৰ ভিত্তিক প্ৰতিবেদনখন প্ৰস্তুত কৰোতে বিভিন্ন পক্ষৰ পৰা সহায় সহযোগিতা লাভ কৰিছিলোঁ। প্ৰথমে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত প্ৰাণ কৃষ্ণ দেৱ নাথ ছাৰে ক্ষেত্ৰ অধ্যয়নৰ বাবে অনুমতি বিচৰাত তেওঁ অনুমতি প্ৰদান কৰাৰ বাবে কৃতজ্ঞা জ্ঞাপন কৰিছোঁ।

বিশেষ ভাৱে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী সহকাৰী অধ্যাপক আব্দুছ ছালাম ছাৰলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞা জ্ঞাপন কৰিছোঁ। তেওঁৰ অবিহনে এই ক্ষেত্ৰ অধ্যায়ন সম্পূৰ্ণ কৰাটো অসম্ভৱ আছিল। তেখেতে আগবঢ়োৱা বিনামূলীয়া পৰামৰ্শ আৰু নিৰ্দেশনাই আমাক অনুপ্ৰেৰনা যোগাইছিল। তেওঁৰ উপৰিও ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী সহকাৰী অধ্যাপক নুৰ মহম্মদ আল আমান, আনোৱাৰ হুছাইন, বিৰেশ চন্দ্ৰ তপাদাৰ ছাৰ বিশেষভাৱে এই অধ্যায়নত সহায় কৰিছিল, গতিকে তেওঁলোককো কৃতজ্ঞা জ্ঞাপন কৰিছোঁ।

ইয়াৰোপৰি মালিবাৰী সত্ৰ গাওঁৰ যিসকল শ্ৰদ্ধাৰ বাসিন্দাই এই অধ্যয়নত বিশেষ ভাৱে সহায়-সহযোগিতা আগবঢ়োৱালে তেওঁলোকলৈ ধন্যবাদ তথা কৃতজ্ঞা জ্ঞাপন কৰিছোঁ।

নাম: শ্ৰী প্ৰনিতা দাস

শ্ৰেণী: স্নাতক চতুৰ্থ যান্মাষিক

ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়

Head
Department of Political Science
Chhamaria Anchalik College
Date.........................

Principal
Chhamaria Anchalik College

# সূচীপত্ৰ


প্ৰথম অধ্যায় : 1. আৰম্ভণি
1.1. অধ্যয়নৰ ক্ষেত্ৰ
1.2. অধ্যয়নৰ উদ্দেশ্য
1.3. অধ্যয়নৰ তাৎপৰ্য
1.4. অধ্যয়নৰ সীমাবদ্ধতা
1.5. অধ্যয়নৰ নমুনা
দ্বিতীয় অধ্যায় : 2. জনসাধাৰণৰ অংশগ্ৰহণ মানে কি ?
2.1. প্ৰত্যক্ষ অংশগ্ৰহণ আৰু অংশগ্ৰহণমূলক পদ্ধতি
2.2. অংশগ্ৰহণৰ প্ৰকাৰ
2.3. অংশগ্ৰহণৰ ক্ষেত্ৰ বা পৰ্যায়সমূহ
তৃতীয় অধ্যায় : 3. পঞ্চায়তীৰাজ ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণ
3.1. পঞ্চায়তী অনুষ্ঠানসমূহৰ জনপ্ৰতিনিধিৰ অংশগ্ৰহণ
3.2. পিছপৰা শ্ৰেণীৰ অংশগ্ৰহণ
3.3. মহিলাৰ অংশগ্ৰহণ আৰু আসন সংৰক্ষণ
3.4. মহিলাৰ অংশগ্ৰহণৰ সমস্যা
3.5. অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘুৰ অংশগ্ৰহণ ।
3.6. সংখ্যালঘুৰ অংশগ্ৰহণৰ সমস্যাসমূহ
চতুৰ্থ অধ্যায় : 4. গাঁওসভা আৰু জনসাধাৰণৰ অংশগ্ৰহণ
4.1. গাঁওসভাৰ বৈঠক
4.2. গাঁওসভাৰ মূল
4.3. গাঁওসভাৰ আলোচনাৰ বিষয়বস্তু
4.4. গাঁওসভাৰ কাৰ্য
পঞ্চম অধ্যায় : 5. ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিৱৰণ
5.1. গাঁওখনৰ বাসস্থানৰ অৱস্থা
5.2. পোহৰৰ উৎস
5.3. শিক্ষা
5.4. চিকিৎসালয়
5.5. খোৱাপানী



Head
Department of Political Science
Chhamaria Anchalik College
Date......................

Principal
Chhamaria Anchalik College

5.6. চেহজামী আঁচনিৰ সুবিধা

5.7 ধৰ্ম

5.8. বৃত্তি

ষষ্ঠ অধ্যায় : 6. সামৰণি

6.1. প্ৰশ্নাৱলী

Head
Department of Political Science
Chhamaria Anchalik College
Date........................

Principal
Chhamaria Anchalik College

# প্ৰথম অধ্যায়

## আৰম্ভণি: (Introduction)

আমি ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ চতুৰ্থ ষান্মাসিক দক্ষতা বিকাশ পাঠ্য (SEC)ৰ ছাত্ৰ-ছাত্ৰীসকলে যোৱা 10/06/23 ইং তাৰিখে শনিবাৰে পুৱা 12.30 বজাত মহাবিদ্যালয়ৰ পৰা "participation of Local people's in the political system of Malibari Satra village under 43 No. Hekra Gaon Panchayat" শীৰ্ষক ক্ষেত্ৰ অধ্যয়নৰ বাবে মালিবাৰী সত্ৰ গাঁওত উপস্থিত হওঁ।

দুৰ্ভাগ্যবশতঃ যে, প্ৰাকৃতিক দুৰ্যোগ অৰ্থাৎ ধাৰাষাৰ বৰষুণৰ বাবে আমাৰ SEC ৰ field work study প্ৰতিবেদনখন যথেষ্ট অসুবিধাৰ মাজেৰে সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত তৃণমূল পৰ্যায়ত গণতন্ত্ৰক শক্তিশালী কৰি তুলিবলৈ লগতে সমাজৰ সকলো শ্ৰেণীৰ কল্যাণ সাধনৰ বাবে স্থানীয় ব্যৱস্থাই বৰ্তমান বিশ্বত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল। শাসন প্ৰক্ৰিয়াৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে স্থানীয় অঞ্চলসমূহলৈ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক লৈ যোৱা হয় আৰু জনগণৰ অংশগ্ৰহণ নিশ্চিত কৰা হয়। জন-অংশগ্ৰহণ অবিহনে গণতান্ত্ৰিক সিদ্ধান্ত লোৱাটো সম্ভৱ নহয়, যিয়েহে ই গণতন্ত্ৰৰ এটা অন্যতম চৰ্ত। ভাৰতবৰ্ষত বৰ্তমানে বিভিন্ন ধৰণৰ স্থানীয় শাসনৰ অনুষ্ঠান আছে। এইবোৰৰ ভিতৰত গ্ৰাম্য এলেকাৰ বাবে পঞ্চায়তীৰাজ আৰু চহৰাঞ্চলৰ বাবে নগৰ শাসন ব্যৱস্থাৰ গোট যেনে- নগৰ সমিতি, পৌৰসভা, পৌৰ নিগম অত্যম অন্যতম।

সংবিধানৰ 73 তম সংবিধান সংশোধনীয়ে গ্ৰাম্য এলেকাৰ স্থানীয় শাসন ব্যৱস্থা পঞ্চায়তীৰাজ বাধ্যতামূলক কৰে আৰু যেতিয়াৰে পৰা ভাৰতবৰ্ষ তথা অসমৰ গ্ৰাম্য এলেকাসমূহত পঞ্চায়ত গঠন কৰাটো বাধ্যতামূলক হৈ পৰিল। 73তম সংবিধান সংশোধনী আইনমতে, পঞ্চায়তীৰাজ ব্যৱস্থা ত্ৰিস্তৰীয়। এই অনুসৰি পঞ্চায়তীৰাজ শাসন ব্যৱস্থাৰ বিভিন্ন অনুষ্ঠান বা গোটসমূহ হ'ল- গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ।

Head
Department of Political Science
Chhamaria Anchalik College
Date.......

Principal
Chhamaria Anchalik College

1.1 অধ্যয়নৰ ক্ষেত্ৰ : (study area)

কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী-মহকুমা হৈছে এনে উল্লেখনীয় ঠাই। কামৰূপ জিলাৰ গুৱাহাটী মহকুমাৰ পৰা উত্তৰ-পশ্চিম দিশত গোৱালপাৰা অভিমুখী ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে বকো পিংলাৰ পৰা 25 কি.মি. দূৰত মাৰ্লিবাৰী গাওঁ অৱস্থিত। এই অঞ্চলৰ পূবে আছে ব্ৰহ্মপুত্ৰ নদীৰ উপনৈ জলজলী নদী পশ্চিমে আছে মাৰ্লিবাৰী গাওঁ; দক্ষিণে ছমৰিয়া স্বাস্থ্য কেন্দ্ৰ, ছমৰিয়া মাধ্যমিক বিদ্যালয়, বেংকা আৰু উত্তৰে আছে ছমৰিয়া প্ৰাথমিক বিদ্যালয়। 2022 চনৰ লোকপিয়ল মতে, মাৰ্লিবাৰীৰ মুঠ জনসংখ্যা 3,850 জন। ইয়াৰে 1,998 জন পুৰুষ আৰু 1,852 জন মহিলা। মাৰ্লিবাৰী গাওঁ গাঁৱত 0-6 বছৰ বয়সৰ শিশুৰ জনসংখ্যা 587 জন যিটো মুঠ জনসংখ্যাৰ 15%। 0-6 বছৰৰ ভিতৰত 279 জন পুৰুষ শিশু আৰু 308 গৰাকী মহিলা শিশু। এইদৰে 2011 চনৰ লোকপিয়ল অনুসৰি মাৰ্লিবাৰী গাওঁৰ শিশুৰ লিংগ অনুপাত 1104 যিটো মাৰ্লিবাৰী গাওঁ গাঁৱৰ গড় লিংগ অনুপাত 927 তকৈ অধিক। গাঁওখনৰ সকলো লোকেই হিন্দু ধৰ্মাৱলম্বী আৰু বেছি ভাগ লোকেই অশিক্ষিত আৰু অধিকাংশ লোকেই কৃষিৰ জৰিয়তে অৰ্থ উপাৰ্জন কৰে।

1.2 অধ্যয়নৰ উদ্দেশ্য : Objective of the study

ছমৰিয়া উন্নয়ন খণ্ডৰ নিৰ্বাচিত ক্ষেত্ৰ মাৰ্লিবাৰী গাওঁ গাঁওখনৰ অধ্যয়নৰ উদ্দেশ্যসমূহ তলত বৰ্ণনা কৰা হ'ল -

i. গাঁওখনৰ ৰাজনৈতিক ব্যৱস্থা আৰু পৰিস্থিতি সম্পৰ্কে অনুসন্ধান কৰা।

ii. মাৰ্লিবাৰী গাঁওখনত অনুষ্ঠিত গাঁওসভাৰ সম্পৰ্কে অধ্যয়ন।

iii. গাঁও পঞ্চায়তৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ সম্পৰ্কে অধ্যয়ন।

Head
Department of Political Science
Chhamaria Anchalik College
Date..........

Principal
Chhamaria Anchalik College

iv. গাঁওসমূহত চৰকাৰী আঁচনিৰ সঠিকভাৱে ৰূপায়ন হৈছে নে নাই তাৰ বিষয়ে অধ্যয়ন।

v. গাঁওসমূহৰ আৰ্থ-সামাজিক পটভূমি।

vi. গাঁওসমূহত থকা সম্প্ৰদায় ভিত্তিক সংগঠনসমূহৰ বিষয়ে অৱগত হোৱা তথা বিভিন্ন উন্নয়নমূলক আৰু কল্যাণকামী আঁচনিসমূহত এই সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ কেনেকুৱা সেয়া অধ্যয়ন।

vii. সম্প্ৰদায়টোৰ বিভিন্ন শ্ৰেণীসমূহ, যেনে অনুসূচিত জাতি-জনজাতিসমূহৰ প্ৰয়োজনসমূহৰ মান নিৰ্ণয় কৰা।

viii. অধ্যয়নত পোৱা সিদ্ধান্তসমূহৰ ওপৰত ভিত্তি কৰি গাঁওবাসীৰ প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ কৌশল বা উপায় উলিওৱা।

ix. গাঁওসমূহৰ অৰ্থনৈতিক স্থিতি সম্পৰ্কে অধ্যয়ন।

## 1.3 অধ্যয়নৰ তাৎপৰ্য : (Significance of the study)

শাসন ব্যৱস্থা সফল হ'বৰ বাবে জনগণৰ অংশগ্ৰহণ এক প্ৰাথমিক পূৰ্বচৰ্ত। অৰ্থাৎ জনগণৰ অংশগ্ৰহণ অবিহনে শাসন বা প্ৰশাসন সফল হ'ব নোৱাৰে। সেইবাবেই শাসনত জনসাধাৰণৰ অংশগ্ৰহণ অতিকৈ গুৰুত্বপূৰ্ণ। কেতিয়াবা দেখা যায় শাসনত জনসাধাৰণৰ অংশগ্ৰহণ কেৱল আনুষ্ঠানিকহে হয়গৈ, য'ত দেখাত অংশগ্ৰহণ থাকে কিন্তু বাস্তৱত সিদ্ধান্ত গ্ৰহণ অথবা ৰূপায়ণ জনসাধাৰণৰ অংশগ্ৰহণ অবিহনেই হয়। এনে ধৰণৰ জনসাধাৰণৰ অংশগ্ৰহণক উলাই কৰা ব্যৱস্থাত উন্নয়নমূলক কাম-কাজ ব্যাহত হোৱা দেখা যায়। সেইবাবেই শাসনত জনসাধাৰণৰ অংশগ্ৰহণক অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়।

## 1.4 অধ্যয়নৰ সীমাবদ্ধতা :(Limitations of the study)

অধ্যয়নৰ সীমাবদ্ধতা বুলি ক'লে আমাৰ এই ক্ষুদ্ৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰস্তুত কৰোঁতে সন্মুখীন হোৱা সমস্যাসমূহৰ কথাকে বুজোৱা হৈছে। এই ক্ষেত্ৰত অধ্যয়নৰ সীমাবদ্ধতাসমূহৰ তলত উল্লেখ কৰা হ'ল —

Head, Department of Political Science
Chhamaria Anchalik College
Date..........

Principal
Chhamaria Anchalik College

i. এক সীমিত সময়ত অধ্যয়ন কৰিব লগা হোৱা বাবে বেছি বহুলভাৱে ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিবেদনখন প্ৰকাশ কৰিব পৰাৰ কাৰণে অসুবিধাৰ সন্মুখীন হৈছোঁ।

ii. অধ্যয়নৰ বাবে লোৱা গাঁওখনৰ ভৌগোলিক এলেকা বৃহৎ হোৱা বাবে এখন চুবুৰীহে ক্ষেত্ৰ অধ্যয়নৰ প্ৰস্তুতিৰ বাবে লোৱা হৈছে।

iii. সীমিত সময়ৰ ভিতৰত প্ৰস্তুত কৰা ক্ষেত্ৰ অধ্যয়নৰ নিৰ্দ্ধাৰিত চুবুৰীত জৰীপ কৰিবলৈ যাওঁতে যদিও 50 মান ঘৰ আছে কিন্তু তাৰে 30 মান ঘৰহে অধ্যয়নৰ বাবে লোৱা হৈছে।

iv. তথ্যৰ উন্মোচনৰ বাবে ব্যক্তিক যেতিয়া তেওঁলোকৰ ৰাজনৈতিক অংশগ্ৰহণৰ বিষয়ে সোধা হয়, তেতিয়া তেওঁলোকৰ পৰা সীমিত তথ্যৰ বিৱৰণ পোৱা গৈছে।

v. দুৰ্ভাগ্যবশতঃ যে, প্ৰাকৃতিক দুৰ্যোগ অৰ্থাৎ ধাৰাসাৰ বৰষুণৰ বাবে আমাৰ SEC ৰ field work study প্ৰতিবেদন যথেষ্ট অসুবিধাৰ মাজেৰে সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰিবলৈ অক্ষম হৈছোঁ।

1.5: অধ্যয়নৰ নমুনা :

ক্ষেত্ৰ অধ্যয়নৰ বাবে যিমান বেছি নমুনা ল'ব পাৰি সিমানে ক্ষেত্ৰ অধ্যয়নৰ নিৰ্ভৰযোগ্যতা আৰু বৈধতা বাঢ়ে। কিন্তু অতি সীমিত সময়ৰ ভিতৰত মাৰ্লিবাৰী নং গাঁওখনৰ সম্পূৰ্ণ অধ্যয়নৰ বাবে নলৈ এখন চুবুৰী নিৰ্বাচন কৰি লোৱা হৈছে। যাতে সীমিত সময়ৰ ভিতৰত ক্ষেত্ৰ অধ্যয়নৰ এটা সুন্দৰ ৰূপ দিব পাৰি। সেই অনুযায়ী মাৰ্লিবাৰী নং গাঁওখনত 3,850 জন জনসংখ্যা থকাৰ লগতে 700 মান ঘৰ থাকিলেও এই ক্ষেত্ৰত অধ্যয়নৰ বাবে 30 মান ঘৰৰ পৰিয়াল বাছনি কৰা হৈছে।

# দ্বিতীয় অধ্যায়

## 2. জনসাধাৰণৰ অংশগ্ৰহণ মানে কি ?

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত পুৰুষ - মহিলা সকলোৰে সক্ৰিয় যোগদানকে অংশগ্ৰহণ বুলি কোৱা হয়। এই অংশগ্ৰহণ পোনপটীয়াভাৱেও হ'ব পাৰে অথবা তেওঁলোকৰ স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰা অনুষ্ঠানসমূহৰ জৰিয়তেও হ'ব পাৰে। ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণে ৰাজনৈতিক কাম-কাজ বা প্ৰশাসন ব্যৱস্থা বা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে ভাগ লোৱাটোকে বুজায়। অংশগ্ৰহণ শব্দটোৰ লগত তলত দিয়া ধাৰণাবোৰ প্ৰত্যক্ষভাৱে সম্পৰ্কযুক্ত।

i. সকলো স্তৰতে সম্পূৰ্ণৰূপে জড়িত হোৱা
ii. উন্নয়নমূলক কাৰ্যসূচী সম্পৰ্কে সিদ্ধান্ত গ্ৰহণত ভাগ লোৱা।
iii. কাৰ্যসূচীসমূহৰ কাৰ্যকৰীকৰণত অংশগ্ৰহণ কৰা,
iv. কাৰ্যসূচীসমূহৰ মূল্যায়নত জড়িতকৰণ কৰা।
v. ক্ষমতাহীন গুট, দুৰ্বল শ্ৰেণীৰ সবলীকৰণ ইত্যাদি।

## 2.1. গ্ৰাম্য স্তৰত অংশগ্ৰহণ আৰু অংশগ্ৰহণমূলক পদ্ধতি:

গণতান্ত্ৰিক শাসন ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰতেই প্ৰশাসনৰো সফলতা নিৰ্ভৰ কৰে। গণতান্ত্ৰিক ব্যৱস্থা জনগণৰ সৰ্বোচ্চ ক্ষমতাৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, য'ত জনসাধাৰণৰ হাততেই সকলো ক্ষমতা নিহিত হৈ থাকে। সেইকাৰণেই প্ৰশাসনো এনে ব্যৱস্থাত জনসাধাৰণৰ ওচৰত দায়বদ্ধ। সেইকাৰণেই জনগণ প্ৰশাসনৰ অবিচ্ছেদ্য অংগ। যাৰ কাৰণে প্ৰশাসন বা শাসনৰ সৃষ্টি আৰু যাৰ কাৰণে শাসন ব্যৱস্থা দায়বদ্ধ, তেওঁলোকক বাদ দি শাসন পৰিচালিত হ'ব নোৱাৰে। তেওঁলোকৰো দায়িত্ব শাসনত অংশগ্ৰহণেৰে ইয়াৰ সুচাৰু পৰিচালনা নিশ্চিত কৰা। এনে ধাৰণাৰ ফলশ্ৰুতিতেই প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ যোগদানকাৰী গণতন্ত্ৰলৈ ৰূপান্তৰিত হয়।

Head
Department of Political Science
Chhamaria Anchalik College
Date........

Principal
Chhamaria Anchalik College

গণতন্ত্ৰৰ সফলতাৰ বাবে দেশ এখনৰ প্ৰতিগৰাকী লোকৰে সামগ্ৰিক বিকাশ খুবেই প্ৰয়োজনীয়। গতিকে চৰকাৰে এইক্ষেত্ৰত বিভিন্ন পৰ্যায়ত বহুবোৰ উন্নয়নমূলক কাৰ্যাৱলী আৰু আঁচনি ৰূপায়ন কৰে। এই সমূহৰ সুচাৰু পৰিচালনা তথা ৰূপায়নৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ খুবেই প্ৰয়োজন। তদুপৰি শাসনৰ বিভিন্ন অনুষ্ঠানসমূহকো শক্তিশালী কৰাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজৰ অংশগ্ৰহণ অতিকৈ আৱশ্যকীয়। গণতন্ত্ৰক শক্তিশালী কৰিবলৈ লোৱা বিকেন্দ্ৰীকৰণৰ পদক্ষেপ হিচাপে লোৱা পঞ্চায়তীৰাজ ব্যৱস্থাতো জনসাধাৰণৰ অংশগ্ৰহণ খুবেই আৱশ্যক। জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে স্থায়ী উন্নয়ন প্ৰক্ৰিয়াৰ কল্পনা কৰিব নোৱাৰি।

## 2.2 অংশগ্ৰহণৰ প্ৰকাৰ : (Forms of Participation) :

জনসাধাৰণে বিভিন্ন উপায়েৰে শাসন প্ৰক্ৰিয়া তথা সমাজ জীৱনৰ নীতি নিৰ্দ্ধাৰণত অংশগ্ৰহণ কৰে। মূলত: অংশগ্ৰহণৰ তিনিটা প্ৰকাৰ ধৰণ দেখিবলৈ পোৱা যায়। সেইকেইটা হ'ল

i. প্ৰশাসনীয় অংশগ্ৰহণ :-

প্ৰশাসনীয় সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাগৰিকে কৰা অংশগ্ৰহণক প্ৰশাসনীয় অংশগ্ৰহণ বোলে। এই অংশগ্ৰহণৰ জৰিয়তে নাগৰিকে নিজ সম্প্ৰদায়ৰ পছন্দ-অপছন্দ, ধাৰণাৰ গতি তথা নিজ সমস্যাসমূহৰ বিষয়ে কৰাই নীতি ৰূপায়ণত প্ৰশাসনক হেঁচা প্ৰয়োগ কৰে। ইয়াক উন্নয়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ বুলিও কোৱা হয়, কাৰণ ইয়াৰ জৰিয়তে নাগৰিকে উন্নয়ন প্ৰক্ৰিয়াত যোগদান কৰে। এনেদৰে মানুহৰ যোগদানে, মানুহৰ প্ৰয়োজন আৰু প্ৰত্যাশা অনুযায়ী উন্নয়নমূলক আঁচনি নিৰ্মাণত সহায় কৰে।

ii. ৰাজনৈতিক অংশগ্ৰহণ :

ৰাজনৈতিক অংশগ্ৰহণ বুলিলে ৰাজনৈতিক ব্যৱস্থা আৰু অনুষ্ঠানসমূহৰ জৰিয়তে নাগৰিকে ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাটোক বুজায়। ভোটদান প্ৰক্ৰিয়া, নিৰ্বাচন প্ৰক্ৰিয়া

Head
Department of Political Science
Chhamaria Anchalik College
Date.........
Principal
Chhamaria Anchalik College

বা নিৰ্বাচনী ৰাজনীতিত জনসাধাৰণৰ কাৰ্যকলাপকে সহজ অৰ্থত ৰাজনৈতিক অংশগ্ৰহণ বুলি কোৱা হয়। ৰাজনৈতিক দল গঠন, দলীয় ৰাজনীতিত যোগদান, ভোটদান, নেতৃ নিৰ্বাচন, নিৰ্বাচনত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা, জননীতি গ্ৰহণৰ দাবী, প্ৰতিবাদ, ৰাজনৈতিক দলৰ সপক্ষে / বিপক্ষে প্ৰচাৰ আদি ৰাজনৈতিক অংশগ্ৰহণৰ ভিতৰত পৰে। এনেদৰে ৰাজনৈতিক অংশগ্ৰহণে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰক জন গণতন্ত্ৰলৈ পৰ্যবসিত কৰে।

iii. সামাজিক অংশগ্ৰহণ:

অংশগ্ৰহণৰ তৃতীয় প্ৰকাৰটো হ'ল সামাজিক অংশগ্ৰহণ। সামাজিক অংশগ্ৰহণ এক উপায় যাৰ জৰিয়তে সমাজৰ ব্যক্তিসকলে সিদ্ধান্ত গ্ৰহণকাৰীৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিব পাৰে। বিভিন্ন স্থানীয় সামাজিক মঞ্চসমূহত বিভিন্ন সামাজিক আলোচনাৰ মাজেৰে সামাজিক অংশ গ্ৰহণ নিশ্চিত হয়। এই আলোচনাবোৰত বহু সময়ত অৰ্থনৈতিক, ৰাজনৈতিক তথা স্থানীয় অঞ্চলৰ উন্নয়ন সম্পৰ্কীয় আলোচনাও হয়, যাৰ জৰিয়তে কোনো এটা অঞ্চলৰ প্ৰয়োজনীয় বস্তু স্বাৰ্থবোৰ নীতি নিৰ্ধাৰণকাৰীসকলৰ ওচৰ পায়। এই আলোচনাবোৰে বহু সময়ত একোটা নবীৰ সৃষ্টি কৰি চৰকাৰী বিষয়া আৰু ৰাজনৈতিক দলীয় নেতাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। আনকি স্থানীয় সমস্যাসমূহৰ দাবীত বহু সময়ত তেওঁলোকে প্ৰতিবাদ, ধৰ্ণা আদি অনুষ্ঠিত কৰি চৰকাৰী বিষয়াসকলক চাপত পেলায়।

## 2.3. অংশগ্ৰহণৰ ক্ষেত্ৰ বা পৰ্যায়সমূহ:

অংশগ্ৰহণৰ ক্ষেত্ৰ বা পৰ্যায়সমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি:

i. সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ:

পৰিকল্পনা অথবা প্ৰকল্পৰ আৰম্ভণিৰ সময়ছোৱাতেই এই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। সিদ্ধান্ত গ্ৰহণ এক জটিল প্ৰক্ৰিয়া। প্ৰকল্পৰ বিষয়বস্তু, উদ্দেশ্য, বাজেট, সম্ভাৱনা সকলো ক্ষেত্ৰৰে প্ৰাক্কলন এই পৰ্যায়ত

Head
Department of Political Science
Chhamaria Anchalik College
Date.........
Principal
Chhamaria Anchalik College

চালি-জাৰি থোৱা হয়। সমস্যা সম্পৰ্কত তথ্য আহৰণ কৰাত [illegible] হয়। বিকল্প সম্পৰ্কে আলোচনা-বিলোচনা কৰাত হয়। ইয়ে এক গুৰুত্বপূৰ্ণ পৰ্যায়ত জনসাধাৰণৰ সহযোগিতাৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণ কৰিলে তেনে সিদ্ধান্ত ফলপ্ৰসূ হয়।

ii. কাৰ্য ৰূপায়নত অংশগ্ৰহণ:

শাসনে জনসাধাৰণৰ বাবেই কাম কৰে যাৰ ফলত জনসাধাৰণে উন্নয়নৰ গতিত আগবাঢ়ি যাবলৈ সক্ষম হয়। জনসাধাৰণৰ সহযোগ অবিহনে এই উন্নয়নবোৰ কোনো বস্তুৰ অৰ্থ থাকিব নোৱাৰে। সেইবাবেই ৰূপায়ন প্ৰক্ৰিয়াত শাসনত জনসাধাৰণৰ অংশগ্ৰহণৰ গুৰুত্ব আছে। সম্পদ আহৰণৰ পৰা আৰম্ভ কৰি প্ৰকল্প জনমুখী ব্যৱস্থাৰে কৰ্ম ৰূপায়নৰ ক্ষেত্ৰত জনগণে সহযোগ কৰিব পাৰে।

iii. তদাৰকী প্ৰক্ৰিয়াত অংশগ্ৰহণ:

ৰূপায়নৰ প্ৰক্ৰিয়াত ভালদৰে কাম হৈছে নে নাই তদাৰক কৰাৰ প্ৰয়োজন থাকে। তদাৰকী প্ৰক্ৰিয়া সফল হ'বৰ বাবে প্ৰকল্প সম্পৰ্কে সম্যক জ্ঞান থকাটো একান্তই জৰুৰী। এই ক্ষেত্ৰত, ৰূপায়ন চলি থকা অৱস্থাতে তদাৰকী কৰিলে তদাৰকী প্ৰক্ৰিয়াটো অধিক শক্তিশালী হয়। দোষ-ত্ৰুটিসমূহ ধৰিব পাৰিলে সংশোধনৰো সুযোগ থাকে। জনসাধাৰণে নিজেই বিভিন্ন প্ৰক্ৰিয়াৰ মাধ্যমেৰে সক্ৰিয়ভাৱে তদাৰকী প্ৰক্ৰিয়াত ভাগ লয়, প্ৰকল্প এটা অৰ্থপূৰ্ণ হৈ উঠে আৰু প্ৰত্যাশা সিমানেই বৃদ্ধি পায়।

iv. পৰ্যালোচনাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ:-

পৰ্যালোচনা হৈছে প্ৰকল্পৰ কাৰ্য ৰূপায়নৰ পাছত সামগ্ৰিক অথচ নিৰ্ভৰযোগ্য বিশ্লেষণ। এই বিশ্লেষণে প্ৰকল্পৰ প্ৰভাৱ, প্ৰকল্পৰ বিষয়ে জনসাধাৰণৰ মনোভাৱৰ প্ৰতিফলন আদি সকলোবোৰ কথা সামৰি লয়। পৰ্যালোচনাৰ দ্বাৰা ৰূপায়িত প্ৰকল্পৰ বিভিন্ন দিশ সম্পৰ্কে তথ্য আহৰণ

Head, Department of Political Science
Chhamaria Anchalik College
Date........

Principal
Chhamaria Anchalik College

কৰা হয়। এই ক্ষেত্ৰত সংশ্লিষ্ট জনসাধাৰণৰ শুদ্ধ আৰু বাস্তৱসন্মত মতামতৰ গুৰুত্ব অপৰিসীম। জনসাধাৰণে নিজৰ অভিজ্ঞতাৰ পুষ্ট বিষয়সমূহ পৰ্যালোচনাত অংশগ্ৰহণ কৰিলেহে পৰ্যালোচনা সফল হোৱাৰ সম্ভাৱনা থাকে।

## তৃতীয় অধ্যায়

### 3. পঞ্চায়তীৰাজ ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণ :

স্থানীয় শাসন অনুষ্ঠানসমূহক শক্তিশালী কৰাৰ স্বাৰ্থত সৰ্বসাধাৰণ ৰাইজৰ অংশগ্ৰহণ অতিকৈ আৱশ্যকীয়। ভাৰতবৰ্ষ এখন ঐতিহ্যপূৰ্ণ দেশ। ভাৰতবৰ্ষত অতীজৰেপৰা সমাজ ব্যৱস্থাত বিভিন্ন পৰম্পৰা চলি আহিছে। এইবোৰৰ মাজত ভাৰতীয় সমাজ ব্যৱস্থাত পিছপৰা শ্ৰেণীসমূহ, মহিলাসকল যুগে যুগে উচ্চ শ্ৰেণীৰ লোকসকলৰ হাতত শোষণৰ বলি হৈ আহিছে। সমাজ এখনৰ এক বৃহৎ অংশৰ এই দুৰ্বল পিছপৰা লোকসকলে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সমানে অংশগ্ৰহণ কৰিব পাৰিলেহে এখন সফল গণতান্ত্ৰিক দেশৰ কল্পনা কৰিব পাৰি। গণতন্ত্ৰক শক্তিশালী কৰিবলৈ লোৱা বিকেন্দ্ৰীকৰণৰ পদক্ষেপ হিচাপে স্থানীয় শাসন ব্যৱস্থাতো সেয়ে প্ৰতিবাদী নাগৰিকৰ অংশগ্ৰহণ খুবেই আৱশ্যক। এওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে স্থায়ী উন্নয়ন প্ৰক্ৰিয়াৰ কল্পনা কৰিব নোৱাৰি।

ভাৰতবৰ্ষত স্থানীয় শাসনৰ অনুষ্ঠানসমূহে গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ আনুষ্ঠানিক প্ৰকাশ বুলি স্বীকৃতি লাভ কৰিছে। স্থানীয় শাসন ব্যৱস্থাক গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ মেৰুদণ্ড বুলি কোৱা হয়, কাৰণ এই ব্যৱস্থাত নাগৰিকে শাসন ব্যৱস্থাত সক্ৰিয় আৰু প্ৰত্যক্ষ অংশগ্ৰহণৰ সুবিধা পায়।

স্থানীয় শাসনৰ অনুষ্ঠান, যেনে — গ্ৰাম্য পঞ্চায়তী অনুষ্ঠান আৰু নগৰপালিকা, মহানগৰ নিগমসমূহ ভাৰতৰ আৰ্থ-সামাজিক পৰিৱৰ্তনৰ প্ৰধান প্ৰশাসনিক আহিলা। সমাজৰ আৰ্থ-সামাজিক পৰিৱৰ্তন তেতিয়াহে সম্ভৱ হয়, যেতিয়া স্থানীয় কাম-কাজত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত

Head
Department of Political Science
Chhamaria Anchalik College
Date..........

Principal
Chhamaria Anchalik College

হয়। প্ৰশাসনত জনসাধাৰণৰ অংশগ্ৰহণ, উন্নয়ন তথা গণতন্ত্ৰক সফল কৰাৰ স্বাৰ্থত ভাৰতবৰ্ষত গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ কৰা হৈছে। প্ৰশাসনত জনগণৰ অংশগ্ৰহণ, উন্নয়ন, গণতন্ত্ৰ আৰু বিকেন্দ্ৰীকৰণ এই ধাৰণাকেইটা পৰস্পৰ সম্পৰ্কযুক্ত। গণতন্ত্ৰক তেতিয়াহে সফল বুলিব পাৰি যেতিয়া দেশখনত সকলো নাগৰিকৰে সমান উন্নতি তথা সকলোৱে সমান স্বীকৃতি পায়। ইয়াৰ বাবে প্ৰয়োজন সমাজৰ পিছপৰা অঞ্চলৰ উন্নয়ন। ভাৰতবৰ্ষৰ অধিকাংশ লোক গাঁৱৰ পিছপৰা এলেকাৰ। যোৱা ভাৰতবৰ্ষত এই পিছপৰা লোকসকলৰ উন্নয়ন অবিহনে গণতন্ত্ৰ সফল হ'ব নোৱাৰে। ইয়াৰ বাবে প্ৰয়োজন এই পিছপৰা অঞ্চলসমূহৰ উন্নয়ন। এই অঞ্চলসমূহৰ উন্নয়নৰ বাবে প্ৰশাসনীয় প্ৰচেষ্টাৰ লগে লগে স্থানীয় কাম-কাজত জনসাধাৰণৰ অংশগ্ৰহণো অতি প্ৰয়োজনীয়। এই অংশগ্ৰহণ নিশ্চিত কৰিবলৈয়ে গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ জৰিয়তে স্থানীয় শাসনৰ ব্যৱস্থা কৰা হৈছে।

73 তম 74 তম সংবিধান সংশোধনীয়ে স্থানীয় শাসন ব্যৱস্থাক সাংবিধানিক মৰ্যাদা প্ৰদান কৰি শাসনৰ তৃতীয় স্তৰত বহুৱাইছে। এই সংশোধনী আইনে ভাৰতীয় যুক্তৰাষ্ট্ৰক এক নতুন মাত্ৰা প্ৰদান কৰি বিকেন্দ্ৰীকৰণ ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰিছে। ফলত স্থানীয় শাসনত জনঅংশগ্ৰহণ বাঢ়িছে আৰু ভাৰতীয় গণতন্ত্ৰ প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ পৰা জনগণতন্ত্ৰলৈ পৰিৱৰ্তিত হৈছে।

স্থানীয় শাসন ব্যৱস্থাত পিছপৰা লোকসকলৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ উক্ত আইন দুখনে সংৰক্ষণৰ ব্যৱস্থা কৰিছে যাতে পিছপৰা অনুসূচিত জাতি, জনজাতি, মহিলাসকল আদি লোকসকলেও সমানেই শাসন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে। স্থানীয় শাসনৰ বিভিন্ন গোটসমূহ, যেনে- গাঁও-সভা, গাঁও পঞ্চায়ত, জিলা পৰিষদ আদিত জনসাধাৰণে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিব পাৰে। ইয়াৰে গাঁওসভাখনত স্থানীয় নাগৰিকসকলৰ ঘনিষ্ঠতা অতি বেছি। এখন গাঁৱৰ প্ৰতিজন ভোটাৰ গাঁওসভাৰ সদস্য হয়। অৰ্থাৎ গাঁওসভাৰ মিটিঙত প্ৰতিজন ভোটাৰে সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰে, নিজৰ মতামত দাঙি ধৰিব পাৰে। এইকাৰণেই গাঁওসভাখনক ক্ষুদ্ৰ সংসদ বুলিও কোৱা হয়।

Head, Department of Political Science, Chhamaria Anchalik College, Date.......
Principal, Chhamaria Anchalik College

## ৩.১ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহত জনপ্ৰতিনিধি সকলৰ অংশগ্ৰহণ :

১৯৯২ চনত 73 তম সংবিধান সংশোধনী আইন প্ৰণয়ন (যাৰ লগে লগে অসম) হোৱাত ত্ৰিস্তৰীয় পঞ্চায়তীৰাজ বাধ্যতামূলক হৈ পৰিল। 5 বছৰৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত কৰি পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ, যেনে- গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে জনপ্ৰতিনিধি নিৰ্বাচন কৰাৰ ব্যৱস্থা হ'ল। গাঁও অঞ্চলত বাস কৰা অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰি দিয়া হৈছে (অনুচ্ছেদ নং 243D)। আনহে আইন অনুসৰি ৰাজ্যিক চৰকাৰে পঞ্চায়তসমূহক ক্ষমতাশালী আৰু কাৰ্যক্ষম কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰাৰ বাবে সংবিধানত একাদশ অনুসূচীৰ সংযোজন কৰা হৈছে। যাৰ জৰিয়তে 29 টা বিষয়ৰ ভাৰ পঞ্চায়তৰ ওপৰত বিশেষভাৱে অৰ্পণৰ দিহা কৰা হৈছে।

ৰাজ্যিক বিধানমণ্ডলৰ প্ৰাৰ্থী হ'বলৈ যিবোৰ অৰ্হতাৰ প্ৰয়োজন, সেই অৰ্হতাসমূহ পঞ্চায়তৰ বাবেও প্ৰযোজ্য। অৱশ্যে বিধানমণ্ডলৰ সদস্য হ'বলৈ বয়সৰ সীমা 25 বছৰ হোৱাৰ বিপৰীতে পঞ্চায়তৰ সদস্য হ'বলৈ বয়স 21 বছৰ হ'ব লাগে।

উক্ত অৰ্হতাসম্পন্ন ব্যক্তি এজন পঞ্চায়ত প্ৰতিনিধি হ'ব পাৰে। প্ৰতিখন গাঁও পঞ্চায়তত 10 টা ৱাৰ্ড থাকে আৰু প্ৰতিটো ৱাৰ্ডৰ পৰা এজনকৈ প্ৰতিনিধি ভোটাৰসকলে প্ৰত্যক্ষ ভাৱে নিৰ্বাচিত কৰে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা প্ৰাৰ্থীসকলে ৰাজ্যিক নিৰ্বাচনী আয়োগৰ নিৰ্দিষ্ট বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰিব লাগে। মনোনয়ন পত্ৰৰ সৈতে তেওঁলোকে এমান জাপতনামাও জমা দিব লাগে। গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্যপদৰ বাবে এক ৰঙৰ মনোনয়নপত্ৰ যাৰ বিপৰীতে গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে পৃথক ৰঙৰ মনোনয়ন পত্ৰ থাকে। মনোনয়ন পত্ৰসমূহ গৃহীত হোৱাৰ পাছত নিৰ্দিষ্ট তাৰিখমতে নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচনত জয়লাভ কৰা

Head Department of Political Science Chhamaria Anchalik College Date......
Principal Chhamaria Anchalik College

প্ৰতিনিধিসকলে সফলতাৰে কাম কৰি নিজৰ দায়িত্ব তথা কৰ্মভাৰ গ্ৰহণ কৰিব লাগে ।

## 3.2: পিছপৰা শ্ৰেণীৰ অংশগ্ৰহণ :

দেশ এখনৰ সামগ্ৰিকভাৱে উন্নতিৰ কথা ক'বলৈ হ'লে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰে উন্নয়ন হোৱাটো প্ৰয়োজনীয় । সমাজৰ এচাম লোক পিছপৰি থাকিলে ই দেশৰ বিকাশত হেঙাৰ হৈ থিয় দিয়ে । পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰতেই এচাম লোক থাকে যিয়ে বিভিন্ন কাৰণত সমাজৰ আন লোকসকলতকৈ পিছপৰি থাকে । সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ লোকসকলে দৰিদ্ৰতা, নিৰক্ষৰতা, স্বাস্থ্য সমস্যা আদি বিভিন্ন সমস্যাত ভোগে । এই সমস্যাবোৰে দেশখনৰ সামাজিক বিকাশত প্ৰভাৱ পেলায় । ভাৰতবৰ্ষত এনে পিছপৰা শ্ৰেণীসমূহৰ ভিতৰত অনুসূচিত জাতি, জনজাতি, সংখ্যালঘু, মহিলাসকলক ধৰা হয় । বিভিন্ন আৰ্থ-সামাজিক কাৰণত এই শ্ৰেণীসমূহ অতীজৰেপৰা সমাজৰ আন শ্ৰেণীসমূহৰ তুলনাত পিছপৰি আছিল । স্বাধীনোত্তৰ কালত দেশৰ চৰকাৰে এই শ্ৰেণীসমূহৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে । স্বাধীনোত্তৰ কালত দেশৰ চৰকাৰে এই শ্ৰেণীসমূহৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে । এই ব্যৱস্থাসমূহৰ ভিতৰত উন্নয়নমূলক আঁচনি গ্ৰহণ, চাকৰিৰ বাবে আসন সংৰক্ষণ, ৰাজনৈতিক সবলীকৰণৰ বাবে স্থানীয় শাসন ব্যৱস্থাত অংশগ্ৰহণ বৃদ্ধিৰ বাবে আসন সংৰক্ষণ আদি প্ৰধান । এতিয়াও এই শ্ৰেণীসমূহ সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক দিশত বহু পিছপৰি আছে । দেশৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত এই শ্ৰেণীসমূহৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে তেওঁলোকক সবলীকৰণ আশা কৰিব নোৱাৰি ।

স্থানীয় শাসন ব্যৱস্থাত পিছপৰা লোকসকলৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ 73 তম আইনৰ যোগে সংৰক্ষণৰ ব্যৱস্থা কৰিছে যাতে পিছপৰা অনুসূচিত জাতি, জনজাতি মহিলাসকলে আন লোকসকলৰ দৰে সমানেই শাসন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে ।

Department of Political Science Chhamaria Anchalik College
Principal Chhamaris Anchalik College

## 3.3. মহিলাৰ অংশগ্ৰহণ আৰু আসন সংৰক্ষণ :

স্থানীয় শাসন অনুষ্ঠান পঞ্চায়তীৰাজক (গাঁওপঞ্চায়ত)- সমূহত সৰ্বসাধাৰণ ৰাইজৰ অংশগ্ৰহণ অতিকৈ আৱশ্যকীয়। ভাৰতবৰ্ষত অতীতৰে পৰা সমাজ ব্যৱস্থাত বিভিন্ন পৰম্পৰা চলি আহিছে। এইবোৰৰ মাজত ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীসকল যুগে যুগে পুৰুষতান্ত্ৰিক সমাজখনৰ শোষণৰ বলি হৈ আহিছে। সমাজৰ মুঠ জনসংখ্যাৰ আধা এই মহিলাসকলে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সমানে অংশগ্ৰহণ কৰিব পাৰিলেহে এখন সফল গণতান্ত্ৰিক দেশৰ কল্পনা কৰিব পাৰি।

মহিলা সবলীকৰণ আৰু মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণৰ বিষয়টো দুটা পৰস্পৰ সম্পৰ্কযুক্ত। বৰ্তমান মহিলাসকলে ভোটৰ ক্ষেত্ৰত নিজৰ দায়িত্বৰ প্ৰতি আগ্ৰহী। নাগৰিকৰ ভোটদান কৰ্ম দায়িত্বশীলতাৰ পৰিচায়ক আৰু ই গণতন্ত্ৰৰ প্ৰধান নীতি। মহিলা সবলীকৰণ দায়িত্বশীল গণতন্ত্ৰৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কযুক্ত।

আসন সংৰক্ষণ আৰু মহিলাৰ অংশগ্ৰহণ প্ৰকৃতাৰ্থত দুটা ভিন্ন বিষয়। স্থানীয় শাসন ব্যৱস্থাত মহিলাৰ অংশগ্ৰহণৰ বাবে কেইবাটাও উপায়ৰ ভিতৰত আসন সংৰক্ষণ ব্যৱস্থা অতি আৱশ্যকীয়। সংবিধানৰ 73 তম সংবিধান সংশোধনী আইন-খন এই ক্ষেত্ৰত আইনৰ দুটি দিশেৰে বিবেচিত হৈছে। এই আইনমতে স্থানীয় নিকায়বোৰত মহিলাৰ বাবে 33 শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰি দিছে। মহিলাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য কৰি বৰ্তমান কেন্দ্ৰীয় কেবিনেটে পঞ্চায়তীৰাজ অনুষ্ঠানৰ বাবে বৰ্তমান 33 শতাংশৰ পৰিৱৰ্তে 50 শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। বৰ্তমানৰ এই নতুন সংৰক্ষণ ব্যৱস্থাই স্থানীয় শাসনত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰি নিশ্চিতভাৱে মহিলাসকলক চলচানৰ সুফল তথা কাৰ্যসূচীৰ সিদ্ধান্ত আৰু প্ৰয়োগৰ বাবে এখন প্ৰয়োজনীয় মঞ্চ দিছে।

Head
Department of Political Science
Chhamaria Anchalik College
Date............

Principal
Chhamaria Anchalik College

## ৩.৫. মহিলাৰ অংশগ্ৰহণৰ সমস্যা :

মহিলাৰ অংশগ্ৰহণৰ সমস্যাসমূহ তলত উল্লেখ কৰা হ'ল-

i. সামাজিক সমস্যা :-

স্থানীয় শাসন ব্যৱস্থাত মহিলাৰ অংশগ্ৰহণৰ লগত জড়িত বিভিন্ন কাৰণসমূহৰ ভিতৰত প্ৰথম গুৰুত্বপূৰ্ণ কাৰণটোৱেই হৈছে ভাৰতৰ সমাজৰ পৰিৱেশ। আমাৰ সমাজ যথেষ্ট ৰক্ষণশীল হোৱাৰ লগতে এই সমাজত নাৰীক পুৰুষৰ সমান স্থান দিয়া নহয়। ৰক্ষণশীল সমাজত উচ্চ-নীচৰ ভাৱধাৰা বিদ্যমান হোৱাৰ ফলস্বৰূপে সেইবোৰ থকা সমাজত সমতা, অধিকাৰ আদি গণতান্ত্ৰিক মূল্যবোধসমূহৰ কোনো দাম নাথাকে। সমাজৰ কু-প্ৰভাৱৰ ফলতেই এতিয়াও তেনেবোৰ থকাত নাৰী-সকল পুৰুষৰ হাতৰ মুঠিত বন্দী। যি সময়ত স্থানীয় শাসন ব্যৱস্থাত মহিলাৰ বাবে 50 শতাংশ আসন সংৰক্ষণ কৰিছে; তেনে সময়তো ভাৰতৰ বহু ৰাজ্যৰ মহিলাই পঞ্চায়তৰ নিৰ্বাচিত সদস্য হোৱাৰ পিছতো ঘৰৰ পৰিয়ালৰ বিনা অনুমতিত ঘৰৰ চাৰিবেৰৰ বাহিৰ হ'ব নোৱাৰে। সমাজৰ এনেবোৰ কাৰণবোৰে এতিয়াও পঞ্চায়তীৰাজৰ ব্যৱস্থাক পংগু কৰি ৰাখিছে।

ii. নিৰক্ষৰতা :

বৰ্তমানেও গাঁৱৰ বহু সংখ্যক লোক নিৰক্ষৰ হৈয়ে আছে। নিৰক্ষৰ লোকসকলৰ ভিতৰত অধিকাংশই মহিলা। 2011 চনৰ লোকপিয়ল তথ্য মতে ভাৰতবৰ্ষৰ মুঠ সাক্ষৰতাৰ হাৰ হৈছে 74 শতাংশ। ইয়াৰে পুৰুষৰ সাক্ষৰতাৰ হাৰ 82.1 শতাংশ হোৱাৰ বিপৰীতে মহিলাৰ সাক্ষৰতাৰ হাৰ হৈছে 65.5 শতাংশ। নিৰক্ষৰ লোকসকলে দেশৰ পৰিস্থিতি আৰু-ভাৱ তেওঁলোকে ভালদৰে বুজিব নোৱাৰে। বাতৰি কাকত, দূৰদৰ্শন বা অন্যান্য প্ৰচাৰ মাধ্যমৰ প্ৰতি এনেধৰণৰ লোকৰ আগ্ৰহ কম। গতিকে এনে লোকে প্ৰশাসন ব্যৱস্থাত সক্ৰিয়ভাৱে নিজৰ বিচাৰ বুদ্ধিৰে অংশগ্ৰহণ কৰিব নোৱাৰে।

iii. প্ৰচলিত পিতৃতান্ত্ৰিক ব্যৱস্থা :-

সাধাৰণতে পিতৃতন্ত্ৰই হৈছে বহল অৰ্থ প্ৰকাশক ধাৰণা। যাৰ এটা হ'ল নাৰীৰ ওপৰত পুৰুষৰ আধিপত্য আৰু আনটো হ'ল কম বয়সীয়াসকলৰ ওপৰত বয়স্কসকলৰ আধিপত্য। বিখ্যাত নাৰীবাদী চিন্তাবিদ ছিলভিয়া ৱালবিৰ মতে, পিতৃতন্ত্ৰ হৈছে

Head
Department of Political Science
Chhamaria Anchalik College
Date.........
Principal
Chhamaria Anchalik College

সামাজিক গাঁথনিৰ এক পদ্ধতি আৰু অনুশীলন, য'ত পুৰুষে নাৰীক দমন, উৎপীড়ন আৰু শোষণ কৰে। নাৰীৰ বিৰুদ্ধে পুৰুষ সমাজৰ এই বৈষম্য বৰ্তমান সময়তো বহুখিনি কমিছে যদিও শেষ হৈ যোৱা নাই। ই স্থানীয় শাসনত মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত এতিয়াও এক সমস্যা হৈ থিয় দি আছে।

iv. দৰিদ্ৰতা :-

পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী আৰু পুৰুষৰ মাজত শ্ৰম বিভাজন আৰু দায়িত্বৰ বিভাজন কৰা হয়। এনে ব্যৱস্থাত পুৰুষক প্ৰথম আৰু মহিলাক দ্বিতীয় বা নিম্ন স্থান দিয়া হয়। আয়ৰ লগত জড়িত কাম পুৰুষে কৰে বিপৰীতে গৃহ কাম মহিলাসকলক দিয়া হয়। এনে ক্ষেত্ৰত মহিলাসকলৰ নিজা আয় এখন নাথাকে। প্ৰতিটো কামৰ বাবে পুৰুষসকলৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। এনে কাৰণতে ইচ্ছা কৰিলেও মহিলাসকলে স্থানীয় শাসন ব্যৱস্থাৰ লগত জড়িত সিদ্ধান্ত কামত অংশগ্ৰহণ কৰিব নোৱাৰে। ফলত সংবিধানে অধিকাৰ প্ৰদান কৰিলেও সমাজৰ বহু নাৰী বৰ্তমানেও প্ৰকৃত অধিকাৰৰ পৰা বঞ্চিত হৈ আছে।

v. জাতি আৰু শ্ৰেণী :

স্থানীয় শাসন ব্যৱস্থাত মহিলাৰ অংশগ্ৰহণত অন্তৰায় হিচাপে থিয় দিয়া আন এক সমস্যা হৈছে জাতি আৰু শ্ৰেণী। নাৰী আৰু পুৰুষৰ মাজত বৈষম্য সৃষ্টি কৰাত জাতি আৰু শ্ৰেণীসমূহেও বিশেষ ভূমিকা পালন কৰি আছে।

vi. ৰাজনৈতিক সদিচ্ছাৰ অভাৱ :

মহিলাৰ অংশগ্ৰহণৰ আন এটা সমস্যা হ'ল ৰাজনৈতিক সদিচ্ছাৰ অভাৱ। ৰাজনৈতিক দলসমূহে নিজ দলৰ মহিলাসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ যিমান সুবিধা দিব লাগিছিল সিমান দিয়া নাই। স্থানীয় শাসন ব্যৱস্থাত মহিলাৰ বাবে 50 শতাংশ আসন সংৰক্ষিত হোৱাৰ পিছতহে বাধ্য হৈ এই আসনত মহিলাক টিকট প্ৰদান কৰে। কিন্তু নিৰ্বাচনত জয়ী হোৱা পাছত মহিলা প্ৰতিনিধিসকলৰ কাম-কাজসমূহ পুৰুষৰ মতেহে পৰিচালিত হয়। অৰ্থাৎ মহিলাসকলে কেৱল মাত্ৰ ৰবৰ ষ্টেম্পৰ ভূমিকাহে পালন কৰে।

Head
Department of Political Science
Chhamaria Anchalik College
Date..........

Principal
Chhamaria Anchalik College

## 3.5: অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সকলৰ অংশগ্ৰহণ :

ভাৰতবৰ্ষৰ ভৌগোলিক সীমাৰ ভিতৰত বিভিন্ন জাতি-জনজাতিৰ লোক বাস কৰে। দৰিদ্ৰতা, নিৰক্ষৰতা আদি বিভিন্ন সমস্যা এই লোকসকলৰ মাজত দেখা যায়। এই লোকসকল অতীজৰে পৰা বিভিন্ন সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক কাৰণত অন্য লোকসকলৰ তুলনাত পিছপৰি আছিল। ভাৰতৰ সংবিধানে পিছপৰা এই শ্ৰেণীসমূহক সুবিধা দিবৰ বাবে বিভিন্ন শ্ৰেণী, যেনে- অনুসূচিত জাতি, জনজাতি, সংখ্যালঘু আদিত ভাগ কৰিছে। এই শ্ৰেণীসমূহৰ মাজত দৰিদ্ৰতাৰ দুৰ্গতিৰ তলত চিৰদিন বাস কৰিব নালাগে, লগতে তেওঁলোকে যাতে আন উচ্চ শ্ৰেণীৰ লোকৰ সমপৰ্য্যায়ৰ হয় সেই উদ্দেশ্যে সংবিধানত কিছুমান বিশেষ ব্যৱস্থা যেনে- আসন সংৰক্ষণ, চাকৰিৰ বাবে আসন সংৰক্ষণ আদি কৰিছে। সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত যাতে এই পিছপৰা শ্ৰেণীসমূহে অংশগ্ৰহণ কৰিব পাৰে, তাৰে ব্যৱস্থা লোৱা হৈছে।

## 3.6. অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘুৰ অংশগ্ৰহণৰ সমস্যাসমূহ :

বিভিন্ন সমস্যাৰ বাবে বৰ্তমানেও অনুসূচিত জাতি, জনজাতিৰ লোকসকলে শাসন প্ৰক্ৰিয়াত মুক্ত মনেৰে অংশগ্ৰহণ কৰিব নোৱাৰে। সেই সমস্যাসমূহ হ'ল -

i. সামাজিক সমস্যা :

ভাৰতবৰ্ষত স্থানীয় শাসন আৰু ইয়াত অংশগ্ৰহণৰ এক গুৰুত্বপূৰ্ণ সমস্যা হ'ল ভাৰতৰ গ্ৰাম্য সমাজৰ পৰিবেশ। গ্ৰাম্য সমাজ যথেষ্ট ৰক্ষণশীল হোৱাৰ লগতে এই সমাজত জাতি-ভেদ প্ৰথাৰ প্ৰচলনো ব্যাপক। বহু ৰাজ্যত প্ৰয়োজনীয় আন্তঃগাঁথনি নাই। আনকি বহু ঠাইত যোগাযোগ, যাতায়াত ব্যৱস্থাৰ সুবিধা নাই। ভাৰতৰ গ্ৰাম্য সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলৰ বহুতেই এতিয়াও শাসন সংক্ৰান্তীয় বিষয়বোৰত একেবাৰে অনভিজ্ঞ। ফলস্বৰূপে গ্ৰাম্য সমাজসমূহ এতিয়াও বহু পিছপৰি আছে। ৰক্ষণশীল তথা জাতিপ্ৰথা মানি চলা সমাজত উচ্চ শ্ৰেণীৰ

Head
Department of Political Science
Chhamaria Anchalik College
Date........
Principal
Chhamaria Anchalik College

জাতিবাদৰ বিৰাজমান হোৱাৰ ফলস্বৰূপে সেইবোৰ ঠাইত সমতা, ধৰ্মনিৰপেক্ষতা আদি গণতান্ত্ৰিক মূল্যবোধসমূহৰ কোনো মূল্য নাথাকে। তেনে অসংগত পিছপৰা শ্ৰেণীৰ লোকসকল পঞ্চায়তৰ বৈঠক বা অন্যান্য কোনো মেল-মিটিঙত অংশগ্ৰহণ কৰিবলৈ পিছুহুঁহকি থাকে।

ii. নিৰক্ষৰতা :

স্থানীয় শাসন ব্যৱস্থাত পিছপৰা শ্ৰেণীৰ লোকসকলৰ অংশগ্ৰহণৰ এক প্ৰধান অন্তৰায় হ'ল নিৰক্ষৰতা। নিৰক্ষৰ লোকসকলে দেশৰ পৰিস্থিতিৰ সম্পৰ্কে ওচৰচুবুৰীয়া খবৰ ধৰিব নোৱাৰে। বাতৰি কাকত, দূৰদৰ্শন বা অন্যান্য প্ৰচাৰ মাধ্যম প্ৰতি এনেবোৰ লোকৰ আগ্ৰহ কম হোৱাত এওঁলোকে বহু কথা নজনাকৈ থাকি যায়। তদুপৰি এই লোকসকলে সভাত কথা কওঁতে সংকোচবোধ কৰে।

iii. সচেতনতাৰ অভাৱ :

স্থানীয় শাসন ব্যৱস্থা সফল হ'বলৈ তৃণমূল পৰ্যায়ৰ লোকসকলৰ এই ব্যৱস্থাৰ প্ৰতি সচেতনতাৰ খুবেই প্ৰয়োজন। স্থানীয় শাসন এনে এক ব্যৱস্থা যাৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ সমস্যাবোৰ সেই অঞ্চলৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰা হয়। এই ক্ষেত্ৰত শাসন ব্যৱস্থাত জনগণৰ অংশগ্ৰহণ খুবেই প্ৰয়োজনীয়। তেওঁলোকে বাহিৰৰ জগতখনলৈ উলটি-আহিব নিবিচাৰে। এতিয়াও এনে বহু লোক আছে, যিসকলে স্থানীয় শাসনৰ অৰ্থ বুজি নাপায়। গতিকে এনে পৰিস্থিতত স্থানীয় শাসন ব্যৱস্থাই কাৰ্যকাৰিতা লাভ কৰাত সক্ষম হ'ব নোৱাৰে।

iv. শাসকগোষ্ঠীৰ অনীহা ভাব :-

স্থানীয় শাসন ব্যৱস্থাৰ আন এক গুৰুত্বপূৰ্ণ সমস্যা হ'ল এই যে পিছপৰা শ্ৰেণীসকলৰ প্ৰতি শাসক গোষ্ঠীৰ সদিচ্ছাৰ অভাৱ। তেওঁলোকে দুখীয়া লোকসকলক শক্তিশালী আৰু সক্ৰিয় কৰিব নিবিচাৰে। কাৰ্যসমূহক স্বয়ংক্ৰিয় আত্মস্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ উন্নয়ন আৰু পৰিকল্পনা প্ৰক্ৰিয়াক তৃণমূল পৰ্যায়ত বিকেন্দ্ৰীকৰণৰ কথাও আওপেলা কৰিছে। কিন্তু শাসক শ্ৰেণীৰ সদিচ্ছাৰ অভাৱ তথা অনীহাৰ ফলস্বৰূপে দীৰ্ঘসময়লৈকে 45 বছৰলৈকে পঞ্চায়তীৰাজ ব্যৱস্থা বৰ দুৰ্বল হৈ আছিল। এনে জনগণৰ অংশগ্ৰহণ প্ৰক্ৰিয়াও দুৰ্বল হৈয়ে থাকিল।

Department of Political Science
Chhamaria Anchalik College
Principal
Chhamaria Anchalik College

# চতুৰ্থ অধ্যায়

## ৪. গাঁওসভা আৰু জনসাধাৰণৰ অংশগ্ৰহণ :

গাঁওসভা হৈছে গাঁও পৰ্য্যায়ত থকা পঞ্চায়তীৰাজ ব্যৱস্থাৰ আটাইতকৈ নিম্নতম নিকায়। পঞ্চায়তীৰাজ অনুষ্ঠানত গাঁওসভা সমূহ হ'ল পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিশেষ অংগ। এই গাঁওবোৰ আকাৰগত এটা এটা ৰাজহ গাঁওতো পাৰে। ই এমন গাঁও হ'ব পাৰে যাহতো কেইমানমান সৰু গাঁও মিলিও হ'ব পাৰে। স্থানীয় অঞ্চল বোৰত থকা সকলো পঞ্জীয়নভুক্ত ভোটাৰক লৈ গাঁওসভা গঠিত হয়। অৰ্থাৎ গ্ৰাম্য স্তৰত জনঅংশগ্ৰহণৰ এক উপায় হ'ল গাঁওসভা। সেয়েহে গাঁওসভাক প্ৰত্যক্ষ গণতন্ত্ৰৰ এক অভিনৱ অনুষ্ঠান বুলিও অভিহিত কৰিব পাৰি। গাঁওসভাত সিহঁতৰ সকলো ভোটাৰে সদস্যপদ পায়, সেয়ে গাঁওসভাৰ জৰিয়তে প্ৰতিনিধিসকলক সহজে গাঁওসভাৰ ওচৰত দায়বদ্ধ কৰিব পাৰি।

গাঁওসভাসমূহ গাঁওবাসীৰ সংসদস্বৰূপ। গাঁওসভাৰ জৰিয়তে প্ৰত্যেকজন নাগৰিকে প্ৰত্যক্ষভাৱে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জড়িত হোৱাৰ সুযোগ পায়। সেই কাৰণে গাঁওসভাসমূহক ভাৰতবৰ্ষৰ ক্ষুদ্ৰ সংসদ বুলিও কোৱা হয়।

## ৪.১. গাঁওসভাৰ বৈঠক :

আইন অনুসৰি গাঁওসভাৰ বৈঠক বছৰেকত কমেও দুবাৰ অনুষ্ঠিত হ'ব লাগে। অৱশ্যে কাৰ্য্যক্ষেত্ৰত এই সংখ্যা বাঢ়িও হ'ব, কিন্তু কম নহয়। অসমত গাঁওসভাৰ বৈঠক বছৰেকত চাৰিবাৰ অনুষ্ঠিত হ'ব লাগে। অৰ্থাৎ প্ৰতি তিনি মাহৰ মূৰে মূৰে এবাৰ গাঁওসভাৰ বৈঠক অনুষ্ঠিত হয়।

Head
Department of Political Science
Chhamaria Anchalik College
Date.........

Principal
Chhamaria Anchalik College

## 4.2. গাঁওসভাৰ মূল :-

গাঁওসভাৰ বৈঠক অনুষ্ঠিত হ'বলৈ গাঁওসভাৰ মুঠ সদস্যসংখ্যাৰ $\frac{1}{10}$ অংশ নাইবা গাঁওসভাৰ অন্তৰ্গত গাঁৱৰ মুঠ 100 জন সদস্যৰ উপস্থিতিৰ প্ৰয়োজন। নিৰ্ধাৰিত সময়লৈকে মূল গঠিত নহ'লে সভাপতিগৰাকীয়ে 30 মিনিট সময় অপেক্ষা কৰে আৰু অপেক্ষাৰ পাছতো যদি মূল গঠিত নহয় তেন্তে তেওঁ সভা স্থগিত ৰাখি নিৰ্দিষ্ট এটা দিনলৈ বৈঠক পিছুৱাই দিব পাৰে।

## 4.3. গাঁওসভাত আলোচনীয় বিষয়সমূহ :-

যদিও গাঁওসভাই গাঁও পঞ্চায়ত সম্বন্ধীয় যিকোনো বিষয় আলোচনা কৰিব পাৰে তথাপি কিছুমান এনে বিষয় আছে যিবোৰ গাঁওসভাত আলোচনা কৰাটো নিতান্তই জৰুৰী। এই বিষয়সমূহৰ ভিতৰত কিছুমান হ'ল –

i. গাঁও পঞ্চায়তৰ হিচাপ-নিকাচৰ বছৰেকীয়া বিবৃতি।
ii. যোৱা আৰ্থিক বছৰৰ প্ৰতিবেদন। যোৱা হিচাপ পৰীক্ষাৰ যদি কিবা প্ৰত্যুত্তৰ আহিল তাৰ ওপৰত আলোচনা।
iii. আগন্তুক বিত্তীয় বৰ্ষৰ গাঁও পঞ্চায়তৰ বাজেট।
iv. গাঁও পঞ্চায়তে যোৱা বৰ্ষত কৰা উন্নয়নমূলক আঁচনিৰ প্ৰতিবেদন।
v. চলিত বৰ্ষৰ কাৰণে প্ৰস্তাৱিত উন্নয়নমূলক কাৰ্যসূচীসমূহ।
vi. পৰিকল্পনা আৰু আঁচনিসমূহত ব্যয় হোৱা পুঁজি।

## 4.4. গাঁওসভাৰ কাৰ্যাৱলী :

গাঁওসভাৰ কাৰ্যাৱলীৰ পৰিধি ক্ষেত্ৰত ৰাজ্যসমূহৰ মাজত যথেষ্ট মিল দেখা যায়। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যতে গাঁওসভাসমূহে মূলতঃ তলত দিয়া কাৰ্যাৱলীসমূহ সম্পাদন কৰিব পাৰে –

i. বছৰেকীয়া আয়-ব্যয় আৰু হিচাপ পৰীক্ষা।
ii. নতুন কৰ আৰোপ অথবা ইতিমধ্যে প্ৰচলিত হাৰৰ কৰৰ বৃদ্ধিৰ প্ৰস্তাৱ বিবেচনা কৰা।

Head
Department of Political Science
Chhamaria Anchalik College
Date........
Principal
Chhamaria Anchalik College

iii. বিভিন্ন আঁচনিসমূহৰ ৰূপায়নৰ কাৰ্য হিতাধিকাৰী বাছি উলিওৱা।

iv. গাঁৱত সেৱামূলক কাম-কাজ কৰা।

v. গাঁৱৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়নত সকলো প্ৰত্যেকৰ সহায়-সহযোগিতা আগবঢ়োৱা।

vi. গাঁৱৰ সকলো শ্ৰেণীৰ লোকৰ মাজত মিলা-প্ৰীতি আৰু একতা স্থাপনত উৎসাহ যোগোৱা।

## পঞ্চম অধ্যায়

### 5. ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিৱৰণ :

ক্ষেত্ৰভিত্তিক অধ্যয়নত গাঁও সম্পৰ্কে বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। তলত সেইবোৰৰ বিষয়ে কিছু বিৱৰণ দিয়া হ'ল -

### 5.1 গাঁওবাসীৰ বাসস্থানৰ প্ৰকাৰ :

ঘৰৰ সাংসাৰিক ব্যৱস্থা নিৰ্ভৰ কৰে প্ৰধানকৈ এজন ব্যক্তিৰ আৰ্থিক দিশৰ ওপৰত। তথ্য সংগ্ৰহ কৰোঁতে অনুসন্ধানকাৰীয়ে দেখা পায় গাঁওবাসীৰ অধিক সংখ্যক লোকৰ আৰ্থিক অৱস্থা উন্নত নোহোৱাৰ কাৰণে ঘৰৰ সাংসাৰিক অৱস্থাও উন্নত নহয়। গাঁওখনৰ বিভিন্ন প্ৰকাৰৰ ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ল -

তালিকা - ১

| বাসস্থানৰ প্ৰকাৰ | সংখ্যা | শতকৰা |
|---|---|---|
| কেঁচা ঘৰ | 16 | 53.33 % |
| পকা ঘৰ | 4 | 13.33 % |
| আধা পকা ঘৰ | 11 | 36.67 % |
| মুঠ | 30 | 100 % |

Head
Department of Political Science
Chhamaria Anchalik College
Date..............

Principal
Chhamaria Anchalik College

## 5.2- পোহৰৰ উৎস :

কামৰূপ জিলাৰ গুৱাহাটী মহকুমাৰ অৰ্ন্তগত গাঁৱত বিদ্যুতৰ ব্যৱস্থা আছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলত প্ৰতিটো অঞ্চলত বিদ্যুতৰ ব্যৱস্থা আছে। বৰ্তমান সময়চোৱাত বিদ্যুতৰ অবিহনে বসবাস আৰু কাম কাজবোৰ সম্ভৱ নহয়। বিদ্যুতৰ সুবিধাৰ বিবেচনাৰে এইটো অঞ্চলৰ বাবে অতি গুৰুত্বপূৰ্ণ। কাৰণ কমি হোৱাৰ গাঁওখনৰ বিদ্যুতৰ ব্যৱহাৰৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল -

তালিকা - 2

| পোহৰৰ উৎস | সংখ্যা | শতকৰা |
|---|---|---|
| বিজুলী বাতি - | 27 | 90% |
| সৌৰ শক্তি | 1 | 3.33% |
| কেৰাচিন / মম | 2 | 6.67% |
| মুঠ | 30 | 100% |

## 5.3- শিক্ষা :

শিক্ষা হৈছে মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ। জ্ঞান হৈছে এক অমূল্য সম্পদ। শিক্ষাৰ অবিহনে কোনো ব্যক্তিয়ে এক সুস্থ আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিব নোৱাৰে। অৰ্থ সামাজিক দিশৰ অগ্ৰগতিৰ মূলতেই হ'ল শিক্ষা। শিক্ষাৰ অবিহনে কোনো ব্যক্তিয়ে সফল আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিব নোৱাৰে। গাঁওখনৰ প্ৰায় বেছিভাগ লোকেই অশিক্ষিত বুলিব পাৰি। গাঁওখনৰ শিক্ষিত লোকৰ তথ্য সমূহ তলত তালিকাৰ সহায়ত বৰ্ণনা কৰা হ'ল -

Head
Department of Political Science
Chhamaria Anchalik College
Date.........................

Principal
Chhamaria Anchalik College

তালিকা - 3

| শিক্ষাগত অৰ্হতা | ব্যক্তিৰ সংখ্যা | শতকৰা |
|---|---|---|
| LP | 7 | 23.33 % |
| 8th Pass | 5 | 16.67 % |
| HSLC | 9 | 0.3 % |
| HS | 8 | 26.67 % |
| Graduate | 1 | 33.33 % |
| Post Graduate | 0 | 0 % |
| Total | 30 | 100 % |

5.4 চিকিৎসালয় :-

বৰ্তমান সময়ছোৱাত চিকিৎসা বিজ্ঞান অতি গুৰুত্বপূৰ্ণ। চিকিৎসাৰ অবিহনে সুস্থ জীৱন-যাপন অসম্ভৱ হয়। মানুহৰ জন্মৰ মৃত্যু পৰ্যন্ত ইয়াৰ প্ৰয়োজনীয়তা আছে। চিকিৎসা বিজ্ঞান এজন ব্যক্তিৰ আয়ুস ৰেখা স্বৰূপ। বাহুনি বৰ্নি লোৱাৰ গাঁওখনৰ পৰিয়ালসমূহৰ চিকিৎসাৰ ব্যৱস্থাৰ সম্পৰ্কে তলত তালিকাৰ সহায়ত বৰ্ণনা কৰা হ'ল -

তালিকা - 4

| চিকিৎসা ব্যৱস্থা | পৰিয়ালৰ সংখ্যা | শতকৰা |
|---|---|---|
| হোমিঅ' | 4 | 13.33 % |
| ঘৰুৱা | 5 | 16.67 % |
| চিকিৎসালয় | 1 | 3.33 % |
| কবিৰাজ | 20 | 66.67 % |
| মুঠ - | 30 | 100 % |

Head, Department of Political Science, Chhamaria Anchalik College, Date.......

Principal, Chhamaria Anchalik College

5.5 খোৱাপানী :

জীৱৰ জীয়াই থাকিবলৈ এক অতি প্ৰয়োজনীয় উপাদান হৈছে বিশুদ্ধ খোৱাপানী। পানী হৈছে এক অমূল্য সম্পদ। পানীৰ অবিহনে জীৱই জীয়াই থাকিব নোৱাৰে। লগতে পানীৰ সহায়ত মানুহৰ বিভিন্ন প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰা যায়। বাহুনি বৰ্নি লোৱাৰ গাঁওখনৰ

মানুহে ব্যৱহাৰ কৰা পানীৰ উৎসৰ এমন তালিকা তলত উপস্থাপন কৰা হ'ল :-

তালিকা - 5

| খোৱাপানীৰ উৎস | ঘৰৰ সংখ্যা | শতকৰা |
|---|---|---|
| চৰকাৰী আঁচনি | 0 | 0% |
| পুখুৰী | 5 | 16.67% |
| দমকল | 25 | 83.33% |
| মুঠ | 30 | 100% |

## 5.6. চৰকাৰী আঁচনিৰ সুবিধা :-

প্ৰকল্প অধ্যয়নৰ বাবে নিৰ্বাচন কৰি লোৱা গাঁওখনৰ প্ৰায় সংখ্যক লোকেই চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিছে। চৰকাৰী আঁচনিসমূহ হ'ল আৱাস যোজনা, ৰাষ্ট্ৰীয় মাতৃ সুৰক্ষা আঁচনি, MGNREGA, আনাময় শৌচালয় আঁচনি, প্ৰধানমন্ত্ৰী কৃষি বিকাশ আঁচনি, প্ৰধানমন্ত্ৰী ইন্দিৰা আৱাস যোজনা আদি। গাঁওখনৰ লোকসকলে লাভ কৰা সুবিধাসমূহৰ এমন তালিকা তলত উল্লেখ কৰা হ'ল -

তালিকা - 6

| চৰকাৰী আঁচনি | ঘৰৰ সংখ্যা | শতকৰা |
|---|---|---|
| আৱাস যোজনা | 5 | 16.67 % |
| মাতৃ | 8 | 26.67 % |
| ঘৰ | 9 | 0.3 % |
| শৌচালয় | 1 | 33.33 % |
| সুবিধা নোপোৱা | 7 | 23.33 % |
| মুঠ | 30 | 100 % |

Head
Department of Political Science
Chhamaria Anchalik College
Date.........

Principal
Chhamaria Anchalik College

5.7. ধৰ্ম :

কামৰূপ জিলাৰ গুৱাহাটী মহকুমাৰ অন্তৰ্গত মালিবাৰী গাঁওখনৰ বাসিন্দাসকল বিভিন্ন ধৰ্মীয় কাৰ্যৰ লগত জড়িত। ধৰ্ম হৈছে এনে এক আৱশ্যক যিয়ে মানুহ ভক্তি-ভংগীৰ মেলবন্ধন এজোৰা জাতি তথা সম্প্ৰদায়ক একত্ৰিত কৰি ৰাখে। ভাৰত হৈছে এখন ধৰ্ম নিৰপেক্ষ দেশ। ইয়াত বিভিন্ন ধৰ্মাৱলম্বীৰ লোকে বসবাস কৰে।

তথ্য সংগ্ৰহৰ সময়ত অনুসন্ধানকাৰীয়ে দেখা পায় গাঁওখনৰ সকলো লোকেই হিন্দু ধৰ্মৰ। ইয়াৰ সকলো লোকে বিভিন্ন উৎসৱ-পাৰ্বণ একেলগে মিলাপ্ৰীতিৰে উদযাপন কৰে। গাঁওখনৰ ধৰ্মাৱলম্বী লোকসকলৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল -

তালিকা - 7

| ধৰ্ম | লোকৰ সংখ্যা | শতাংশ |
|---|---|---|
| হিন্দু | 30 | 100% |
| মুছলমান | 0 | 0% |
| খ্ৰীষ্টান | 0 | 0% |
| মুঠ | 30 | 100% |

5.8 বৃত্তি :

বৃত্তি হৈছে এটা পৰিয়ালৰ আৰ্থিক দিশৰ উন্নয়নৰ এক উৎস। যাৰ জৰিয়তে নিজৰ আৰ্থ-সামাজিক দিশটো আৰু ৰাজনৈতিক দিশৰ উন্নয়নৰ লগতে গাঁওখনৰ সামাজিক স্থিতিৰ উন্নয়নত অৰিহণা যোগায়।

তলত দিয়া গাঁওখনৰ বিভিন্ন বৃত্তিৰ তথ্যসমূহ হ'ল -

তালিকা - 8

| বৃত্তি | সংখ্যা | শতকৰা |
|---|---|---|
| চাকৰি | 2 | 66.67% |
| ব্যৱসায় | 3 | 1% |
| পশু পালন | 10 | 33.33% |
| কৃষি | 15 | 5% |
| মুঠ | 30 | 100% |

Head, Department of Political Science
Chhamaria Anchalik College
Date.......

Principal
Chhamaria Anchalik College

# ষষ্ঠ অধ্যায়

## 6. সামৰণি :

কামৰূপ গ্ৰাম্য জিলাৰ ভুমষীয়া উন্নয়ন খণ্ডৰ নিৰ্বাচিত মালিবাৰী গাঁওসমূহৰ আৰ্থ-সামাজিক জীৱন, ৰাজনৈতিক প্ৰক্ৰিয়াৰ আৰু শৈক্ষিক অৱস্থিতিৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে গাঁওসমূহৰ ৰাজনৈতিক সচেতনতা, আৰ্থ-সামাজিক জীৱন, শৈক্ষিক দিশবোৰ কিছু আভাস পোৱা গ'ল লগতে গাঁওসমূহৰ মুঠ জনসংখ্যা পুৰুষ আৰু মহিলাৰ সংখ্যা জানিব পৰা গ'ল। মালিবাৰী গাঁওসমূহৰ মুঠ জনসংখ্যা হ'ল 3,850 জন। উক্ত গাঁওসমূহৰ পুৰুষৰ সংখ্যা 1,998 জন আৰু মহিলাৰ সংখ্যা 1,852 জন। গাঁওসমূহত পুৰুষৰ সংখ্যা মহিলাৰ সংখ্যাতকৈ কিছু পৰিমাণে বেছি দেখা গ'ল। উক্ত গাঁওসমূহত 18 বছৰ বয়সৰ ওপৰৰ জনসংখ্যা অধিক দেখা গ'ল আৰু 18 বছৰৰ তলৰ বয়সৰ সংখ্যা কম দেখা গ'ল। গাঁওসমূহৰ সকলোবোৰ লোকেই হিন্দু ধৰ্মাৱলম্বী দেখা পোৱা গ'ল।

ক্ষেত্ৰ অধ্যয়নৰ বাবে নিৰ্বাচন কৰা মালিবাৰী গাঁওসমূহৰ প্ৰায় সংখ্যক লোক কৃষিৰ লগত জড়িত হোৱাৰ লগতে সীমিত সংখ্যক চাকৰিয়াল আৰু ব্যৱসায়ৰ লগত জড়িত হোৱা দেখা গ'ল। গাঁওসমূহৰ অধিক সংখ্যক লোক আৰ্থিকভাৱে দুৰ্বল হোৱাৰ বাবে সেই দুৰ্বল পৰিয়ালবোৰে চৰকাৰী আঁচনিৰ সুবিধাও লাভ কৰা দেখা যায়। গতিকে এই দিশসমূহৰ পৰা নিৰ্বাচিত গাঁওসমূহৰ অৰ্থনৈতিক স্থিতি সম্পৰ্কে জানিব পৰা যায়। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰিলো যে, গাঁওসমূহ শিক্ষাৰ ক্ষেত্ৰত সিমান আগবঢ়া নহয়। গাঁওসমূহৰ পুৰণি প্ৰায় সংখ্যক ব্যক্তিয়েই নিৰক্ষৰ কিন্তু বৰ্তমান তেওঁলোকৰ ল'ৰা-ছোৱালী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া দেখা গ'ল।

নিৰ্বাচিত গাঁওসমূহৰ অধিকাংশই পোহৰৰ উপ

Head
Department of Political Science
Chhamaria Anchalik College
Date.........

Principal
Chhamaria Anchalik College

হিচাপে বিজুলী বাতি ব্যৱহাৰ কৰাৰ লগতে সীমিত সংখ্যক পৰিয়ালে সৌৰশক্তি আৰু গোবৰগেছ ব্যৱহাৰ কৰা দেখা গ'ল। খোৱাপানীৰ সমস্যাও এক মন-কৰিবলগীয়া দিশ। মটলবাৰী গাঁওসমূহত চৰকাৰী পানী যোগান আঁচনি নাই যদিও অধিক সংখ্যক পৰিয়ালে চৰকাৰৰ পৰা অনুদান হিচাপে লাভ কৰা দমকলৰ পৰাই খোৱা পানীৰ যোগান ধৰে। এইক্ষেত্ৰত চৰকাৰে এই গাঁওসমূহৰ জনসাধাৰণক সহায় কৰি আছে। গাঁওসমূহৰ অধিকাংশ পৰিয়ালৰ ঘৰে ঘৰে শৌচালয়ৰ লগতে কম সংখ্যক লোকৰ পকী ঘৰ থকা দেখা গ'ল।

নিৰ্বাচিত মটলবাৰী গাঁওসমূহৰ বেছিসংখ্যক মহিলাৰ নিৰক্ষৰ হোৱাৰ বাবে পুৰুষৰ তুলনাত ৰাজনৈতিক প্ৰক্ৰিয়াত (যেনে- গাঁওসভা, পঞ্চায়ত) অংশগ্ৰহণ, সিদ্ধান্তগ্ৰহণ আদি প্ৰক্ৰিয়াত অংশ গ্ৰহণ সীমিত হোৱাৰ পৰিলক্ষিত হ'ল।

উক্ত গাঁওসমূহত ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে গাঁওসমূহৰ বিভিন্ন সমস্যাসমূহ জানিব পৰা গ'ল। গাঁওসমূহৰ ৰাজনৈতিক, আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশটো উন্নত কৰিবৰ বাবে চৰকাৰী আৰু বেচৰকাৰী ৰাজনৈতিক অনুষ্ঠানসমূহে জনসাধাৰণক ৰাজনৈতিক ভাৱে সজাগ আৰু সচেতন কৰি তুলিব লাগিব। অনুপাতে গাঁওসমূহত দেখা গ'ল অধিক সংখ্যক মহিলাই ৰাজনৈতিক ক্ষেত্ৰত তথা শৈক্ষিক দিশতো যথেষ্ট পিছপৰা। এওঁলোকক উপযুক্ত ৰাজনৈতিক বিষয়ক জ্ঞান দিব লাগিব আৰু শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট সচেতন কৰি তুলিব লাগিব। প্ৰকৃত শিক্ষাইহে সকলো দিশৰ বিকাশ সাধন কৰি মানৱ সমাজৰ উন্নয়ন কৰে। উক্ত গাঁওসমূহত শিক্ষাৰ বাবে মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় খোলাৰ বাবে ব্যৱস্থা কৰিব লাগিব। চিকিৎসালয়ৰ ক্ষেত্ৰত বাদ্ধানি কৰাৰ গাঁওসমূহত সীমিত সুবিধাৰ অভাৱ দেখা যায়।

যিহেতু অধ্যয়নটোৰ বাবে গাঁওসমূহৰ গোটেই

Head
Department of Political Science
Chhamaria Anchalik College
Date......
Principal
Chhamaria Anchalik College

পৰিমাণৰ আমাৰ লোকৰ নাই, মাত্ৰ গাঁওখনৰ মুঠ ৩০ ঘৰতে আমাৰ লোকৰ হৈছে সেইবাবে অধ্যয়নটোৰ দ্বাৰা প্ৰাপ্ত তথ্যসমূহ সম্পূৰ্ণৰূপে গাঁওখনৰ ক্ষেত্ৰত প্ৰামাণ্য নহ'বও পাৰে। গতিকে এইক্ষেত্ৰত আৰু বিস্তৃত অধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

Head
Department of Political Science
Chhamaria Anchalik College
Date............

Principal
Chhamaria Anchalik College

6. প্ৰশ্নাৱলী

1. কিমান জনসংখ্যা এলেকাত এখোন গাঁও পঞ্চায়ত গঠন কৰা হয়?

2. গাঁও পঞ্চায়তৰ সভাপতিক কেনেকৈ নিৰ্বাচিত কৰে?

3. গাঁও পঞ্চায়ত এলেকাসমূহ কেইটা ভাগত ভাগ কৰা হৈছে?

4. গাঁও পঞ্চায়ত এমনৰ কাৰ্যকাল কিমান বছৰ?

5. গাঁও পঞ্চায়তৰ উপসভাপতি আৰু সদস্যসকলে কাৰ হাতত ইস্তফা দিব লাগে?

6. গাঁও পঞ্চায়তৰ সভাপতিয়ে কাৰ হাতত ইস্তফা দিব লাগে?

7. গাঁও পঞ্চায়তৰ সচিবজনক কোনে নিযুক্তি প্ৰদান কৰে?

8. গাঁও পঞ্চায়তৰ দুমন সভাৰ মাজত ব্যৱধান কিমান বছৰ?

9. গাঁও সভাৰ বৈঠক বছৰত কিমান বাৰ বহে?

10. গাঁও সভাৰ সদস্যসকলৰ নিম্নতম বয়স কিমান?

11. 73 তম সংবিধান সংশোধনী আইন কেতিয়া গৃহীত হৈছিল?

12. ভাৰতবৰ্ষৰ কেইতৰলীয়া শাসন দিয়াৰ মায়।

13. PESA মানে কি?

14. PESA আইন কেতিয়া গৃহীত হয়।

15. পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলাৰ কিমান শতাংশ আসনৰ ব্যৱস্থা আছে।

16. আপুনি বাস কৰা গাঁওখনৰ ৱাৰ্ড নং কিমান?

17. আপোনাৰ পঞ্চায়তখনৰ নাম কি?

18. চৰকাৰী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ হৈছে নে নাই?

19. আপোনাৰ পঞ্চায়ত সভাপতিজনৰ নাম কি?

20. আপোনাৰ ৱাৰ্ডৰ ৱাৰ্ড মেম্বাৰজনৰ নাম কি?

Head
Department of Political Science
Chhamaria Anchalik College
Date.......

Principal
Chhamaria Anchalik College

21. প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ দ্বাৰা উপকৃত হৈছে নে নাই ?

22. যোৱা 22-23 বৰ্ষত আপোনাৰ বাৰ্ডত গাঁওসভা অনুষ্ঠিত হৈছে নে নাই ?

23. আপোনাৰ গাঁওত চৰকাৰী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ন হৈছে নে নাই ?

24. বৰ্তমান ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী গৰাকীৰ নাম কি ?

25. বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী গৰাকীৰ নাম কি ?

26. গাঁও পঞ্চায়তৰ উপ-সভাপতি জনক কোনে নিৰ্বাচিত কৰে ?

27. মাতৃ সুৰক্ষা আঁচনিৰ দ্বাৰা উপকৃত হৈছে নে নাই ?

28. পানী যোগান আঁচনি আছে নে নাই ?

29. পঞ্চায়তীৰাজ ব্যৱস্থাত অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘুৰ বাবে কিমান শতাংশ আসনৰ ব্যৱস্থা কৰিছে ।

30. বৰ্তমান অসমৰ ৰাজ্যপাল গৰাকীৰ নাম কি ?

Principal
Chhamaria Anchalik College

Head
Department of Political Science
Chhamaria Anchalik College
Date..........................